# নতুন শিক্ষা ব্যৱস্থাত পাঠ্যক্ৰম জালিয়াতি আৰু ব্যৱসায়জনিত দৃষ্টিকটু পৰম্পৰা

কুশল কুমাৰ দাস

◆◆

*বৌদ্ধিক ব্যৱসায়; বিদ্যালয় পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত পাঠ্যক্ৰমৰ আধাৰত কোনো বাধ্যবাধকতাৰ সন্মুখীন নোহোৱাকৈ গ্ৰন্থৰ বজাৰত কিছুমান অপৰিপক্ক লেখক আৰু ইউটিউবাৰৰ চেনেল প্ৰৱেশ কৰিছে। এনে গ্ৰন্থ আৰু ইউটিউবত শিক্ষাৰ পোহাৰ মেলা দেখিও বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম প্ৰস্তুত আৰু প্ৰকাশন বিভাগৰ লগত জড়িত উৰ্দ্ধতম কৰ্তৃপক্ষৰ দৃষ্টিত নপৰাটোহে আচৰিত লাগে।*

◆◆◆

'বিদ্যা দদাতি বিনয়ম বিনয়াদ য়াতি পাত্ৰনাম' শিক্ষাই বিনয়ী কৰে অৰ্থাৎ প্ৰকৃত শিক্ষাই বিশুদ্ধ জ্ঞানৰ অধিকাৰী কৰি প্ৰকৃত মানৱ সম্পদ গঢ়ি তোলাটো অনাদি কালৰ পৰম্পৰা। উপযুক্ত শিক্ষাই প্ৰকৃত মানৱ সম্পদৰ জৰিয়তে দেশৰ প্ৰগতিত সুস্থ পৰিৱেশ গঢ়ি তোলে। বৰ্তমান সময়ত শিক্ষা গ্ৰহণ আৰু শিক্ষাদানৰ বাবে সহজলভ্য মাধ্যমৰ দৌৰাত্ম্য ইমানেই বৃদ্ধি পাইছে যে প্ৰকৃত অপ্ৰকৃতৰ মাজৰ সীমাৰেখা হেৰুৱাই মানুহৰ চিন্তা জগতত বিৰূপ প্ৰভাৱ পৰিবলৈ ধৰিছে। বৌদ্ধিক কাৰ্যকলাপ আৰু জ্ঞানৰ কৰ্ষণ লাহে লাহে ব্যক্তিগত মুনাফা লাভৰ লক্ষ্য হৈ পৰিছে। ব্যক্তিগত লাভালাভৰ দৃষ্টিৰে এচামে চলাই গৈছে গ্ৰন্থ আৰু সামাজিক মাধ্যম (youtube channel, facebook page, Instagram, Blog)। বৌদ্ধিক ব্যৱসায়; বিদ্যালয় পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত পাঠ্যক্ৰমৰ আধাৰত কোনো বাধ্যবাধকতাৰ সন্মুখীন নোহোৱাকৈ গ্ৰন্থৰ বজাৰত কিছুমান অপৰিপক্ক লেখক আৰু ইউটিউবাৰৰ চেনেল প্ৰৱেশ কৰিছে। এনে গ্ৰন্থ আৰু ইউটিউবত শিক্ষাৰ পোহাৰ মেলা দেখিও বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম প্ৰস্তুত আৰু প্ৰকাশন বিভাগৰ লগত জড়িত উৰ্দ্ধতম কৰ্তৃপক্ষৰ দৃষ্টিত নপৰাটোহে আচৰিত লাগে। গ্ৰন্থৰ লগতে ইউটিউবত শিক্ষাদানৰ মান ইমানে নিম্ন ৰুচিৰ যে ব্যাখ্যা নিষ্প্ৰয়োজন। তেনেবোৰ গ্ৰন্থ আৰু সামাজিক মাধ্যমৰ শিক্ষাৰ্থীসকলে অবাধে সহায় লৈছে। বিশুদ্ধ গ্ৰন্থ (Urtext/Original text) নপঢ়াৰ অভ্যাস নতুন প্ৰজন্মৰ মাজত ব্যাপক হৈ পৰিছে। বিশেষকৈ নতুন শিক্ষানীতিৰ আধাৰত ষাণ্মাসিক পৰ্যায়ত শিক্ষাৰ্থীয়ে থাউকতে পোৱা দেখনিয়াৰ ৰূপত উলিয়াই দিয়া বজাৰত উপলব্ধ পাঠ্যক্ৰমৰ লঘু উপাদেয় গ্ৰন্থসমূহৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়। এনে গ্ৰন্থ লিখাৰ এক অঘোষিত প্ৰতিযোগিতা দৃষ্টিকটু ৰূপত অসমৰ প্ৰতিখন জিলাত গঢ়ি উঠিছে। জনৈক প্ৰকাশন প্ৰতিষ্ঠানে প্ৰকাশ কৰা গ্ৰন্থসমূহ শিক্ষা প্ৰতিষ্ঠানৰ বিভিন্ন বিভাগত বেলেগ বেলেগ কাকতৰ বাবে 'বিক্ৰীৰ বাবে নহয়' ছিল মাৰি দি আহে। শিক্ষানুষ্ঠানসমূহৰ প্ৰতিটো বিভাগতে ষাণ্মাসিকৰ শ্ৰেণী আৰম্ভ হোৱাৰ আগেয়ে দি অহা এনে কিতাপৰ দ'ম বান্ধি থাকে। একক বা যৌথভাৱে সম্পাদনা কৰা তেনে কিতাপৰ গৰাকীক প্ৰত্যক্ষভাৱে একো নক'লেও হাতী মাৰি ভুৰুকাত ভৰোৱা ৰূপত এখন কাকতৰ বাবে এখন কিতাপে শিক্ষা লাভৰ পৰিমণ্ডলত আঘাত হানিছে, সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। ষাণ্মাসিকৰ অন্তৰে অন্তৰে কিতাপৰ বেপাৰীয়ে শিক্ষকক মৰমলগা ধৰণে "ছাৰ বা বাইদেউ, কিতাপখন পাৰিলে চলাব; লাগিলে স্পিড প'ষ্টত পঠাই দিম। আমাক ফোন কৰি জনালেই হ'ল।" কথাষাৰ ক'বলৈ নাপাহৰে। যি কিতাপে বৌদ্ধিক উত্তৰণত কোনো সহায় নকৰে; তেনে কিতাপ মুঠিৰ ধন ভাঙি শিক্ষাৰ্থীয়ে ক্ৰয় কৰে আৰু পৰীক্ষাৰ বাবে প্ৰস্তুতি চলায়। মন কৰিবলগীয়া যে বিশ্ববিদ্যালয়ে পাঠ্যক্ৰমৰ অন্তৰ্গত কাকতসমূহৰ বাবে প্ৰস্তুত কৰা পাঠ্যক্ৰমৰ লগত বহুতো প্ৰসংগ পুথিৰ নাম দিয়ে যিবোৰৰ সহায় লৈ শিক্ষাৰ্থীয়ে প্ৰতিখন কাকতৰ বাবে প্ৰস্তুতি চলোৱাৰ প্ৰয়োজন। পৰিতাপৰ কথা যে বজাৰত উপলব্ধ এখন কাকতৰ বাবে এখন গ্ৰন্থত ভুলে-শুদ্ধই কোনো অখ্যাত গ্ৰন্থ ব্যৱসায়ীয়ে লিখাখনকে সাৰথি হিচাপে লয় আৰু পৰীক্ষাত অৱতীৰ্ণ হয়। মুঠতে গ্ৰন্থবিধি বহিৰ্ভূত কুম্ভিলক বৃত্তি অৱলম্বন কৰি লিখা গ্ৰন্থজ্বৰত নতুন শিক্ষাৰ্থী সমাজ আক্ৰান্ত। মূল পাঠৰ সৈতে পৰিচিত নোহোৱাকৈ কেৱল বজাৰৰ কিতাপৰ সহায়তে ছমহীয়া ষাণ্মাসিকৰ পৰীক্ষা দি পৰৱৰ্তী ষাণ্মাসিকলৈ উত্তীৰ্ণ হয়। আনহাতে ষাণ্মাসিক ব্যৱস্থাটো কোনোপধ্যে সন্তোষজনক নহয় বুলি শিক্ষা ব্যৱস্থাৰ লগত জড়িতসকলে গুণ-গান কৰি পুৰণি এটা বৰ্ষৰ শিক্ষা ব্যৱস্থাটোৰে অধিক কাৰ্যকৰী বুলি ক'ব খোজে। ছেমিষ্টাৰ বা ছমহীয়া কৰাৰ উপৰি এখন কাকতৰ মুঠ এশ নম্বৰৰ ভিতৰত ষাঠি নম্বৰৰ হে চূড়ান্ত পৰীক্ষা, অন্য চল্লিছ নম্বৰ দুটা সাময়িকী পৰীক্ষা, আলোচনা পত্ৰ, গৃহকৰ্ম, ক্ষেত্ৰ অধ্যয়ন, দলীয় আলোচনা ইত্যাদিৰ জৰিয়তে নিৰ্ধাৰণ কৰা হয়। ছমাহৰ ভিতৰতে সকলো কৰিব লাগে; মাহত চাৰিটা দেওবাৰ, চৰকাৰী বন্ধবোৰ থাকেই; তাতেই পাঠ্যক্ৰমৰ দুই-এটা পাঠ আগবাঢ়োঁতে বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰকে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ নটিছ জাৰি কৰে। শিক্ষাৰ্থীসকলে জোঁৰ পুৰি হাত পোৱা অৱস্থাত দিক-বিদিক হেৰুৱাই বজাৰত উপলব্ধ তেনে গ্ৰন্থখনকে সাৰথি কৰি উদ্ধাৰ হ'ব খোজে। যিটো

কাৰণত নতুন প্ৰজন্মৰ বৌদ্ধিক অনুশীলনত বেপাৰীৰ বেপৰোৱা বুদ্ধিয়ে ক্ৰমান্বয়ে হেঁচি-ঠেলি সোমাই পৰিছে। শিক্ষাৰ্থীৰ বাবে এনে শৈক্ষিক যাত্ৰা ফলপ্ৰসূ বা সুখদায়ক বুলি ক'ব নোৱাৰি। বৰঞ্চ শিক্ষাৰ্থীৰ অন্তৰ্নিহিত সৃষ্টিশীলতাক তিল তিলকৈ প্ৰবঞ্চনা কৰা বুলি ক'ব পাৰি। সাহিত্য, সংস্কৃতি, ভাষা, ৰাজনীতি, অৰ্থনীতি, সমাজতত্ত্ব আদি কিছুমান বিষয়ত চৰ্বিত চৰ্বণেৰে অবাধে গ্ৰন্থ ব্যৱসায় চলাই আছে। এয়া নতুন কথা নহয়; সমান্তৰালভাৱে অসাধু ব্যৱসায়ীয়ে শিক্ষাৰ বৌদ্ধিক বেপাৰীৰ সৈতে তেনে সুবিধাজনক ব্যৱসায় কৰি আহিছে। শিক্ষা ব্যৱস্থাৰ লগত জড়িত কাণ্ডাৰীসকলে এইক্ষেত্ৰত একো ব্যৱস্থা নোলোৱাটোহে আচৰিত লাগে। শিক্ষক-কৰ্মচাৰীক শিক্ষা-সাধনা বহিৰ্ভূত কামত বাধ্যতামূলকভাৱে অনুশাসনমূলক বিধি ব্যৱস্থাৰে চৌবিছ ঘণ্টাই ব্যস্ত ৰাখি শিক্ষাৰ প্ৰগতি আনিব নোৱাৰি। অসমৰ শিক্ষা বিভাগ, সৰ্বশিক্ষা, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, বিশ্ববিদ্যালয় পাঠ্যক্ৰম প্ৰস্তুত সমিতি তথা প্ৰকাশন পৰিষদৰ লগতে অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা আদিয়ে শিক্ষাৰ্থীৰ লগত জড়িত যিকোনো পাঠ্যক্ৰম আৰু সামাজিক মাধ্যমযোগে উপকৃত হ'বলৈ প্ৰস্তুত কৰা গ্ৰন্থ আৰু দৃশ্য-শ্ৰাব্য মাধ্যমৰ সহায় লৈ কৰা শিক্ষাদানৰ উপকৰণবোৰৰ মান নিৰূপণ কৰা দৰকাৰ আৰু মান্যতা প্ৰদানৰ নীতিৰ আৰেষ্টনিত অনা দৰকাৰ। যিকানো পাঠ্যক্ৰমৰ সৈতে সম্পৰ্ক থকা বা পাঠ্যক্ৰমৰ বাবে প্ৰস্তুত কৰিব খোজা গ্ৰন্থ সংশ্লিষ্ট পঞ্জীয়নকৃত বিভাগৰ দ্বাৰা অনুমোদন জনোৱাৰ পাছতহে বজাৰত মুকলি কৰাৰ মান্যতা দিব লাগে। সাহিত্য, সংস্কৃতি, ধৰ্মনীতি, সমাজনীতি আদিৰ বাবে প্ৰস্তুত কৰা বেপেৰুৱা গ্ৰন্থ সংস্কৃতিক নাকী লগোৱাৰ সময় ইতিমধ্যে উকলি গৈছে। তথাপি নতুন প্ৰজন্মক কৰি থকা অন্যায় প্ৰতিৰোধ কৰাৰ শক্তি যিহেতু শিক্ষা অভিভাৱকত্বৰ লগত জড়িত বিভাগৰ হাতত আছে; তেওঁলোকে এক বিধি প্ৰস্তুত কৰি বজাৰত মুকলি হোৱাৰ আগেয়ে এনে গ্ৰন্থসমূহ বন্ধ কৰাৰ ব্যৱস্থা কৰক। উদাহৰণস্বৰূপে অভিধান, সাহিত্য সমালোচনা তথা সাহিত্যৰ বুৰঞ্জী, ইতিহাস, সমাজবিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, দৰ্শন আদি বিষয়ৰ পাঠ্যক্ৰম নতুন শিক্ষানীতিত প্ৰযোজ্য হোৱাৰ আগেয়ে পাঠ্যক্ৰম প্ৰস্তুত হোৱাৰ প্ৰয়োজন আছিল। কাৰ্যক্ষেত্ৰত ঢাল-তৰোৱাল নোহোৱাকৈ শিক্ষাৰ্থীসকলক নতুন শিক্ষানীতিৰ মাজলৈ ঠেলি দি সুবিধা, কমিছন আদিৰ ষড়যন্ত্ৰ তৈয়াৰ কৰা হ'ল। প্ৰথম অৱস্থাত বিশ্ববিদ্যালয়ে তিনিটা ষাণ্মাসিকৰ পাঠ্যক্ৰম উলিয়াই দিয়াৰ সমান্তৰালভাৱে তেনে পাঠ্যক্ৰমৰ আধাৰত অখ্যাত লেখকৰ প্ৰকাশিত গ্ৰন্থ বজাৰত উপলব্ধ হ'বলৈ ধৰে। তৃতীয় ষাণ্মাসিকৰ অন্ত পৰাৰ পাছত চতুৰ্থ ষাণ্মাসিকৰ পৰা পাঠ্যক্ৰম শিক্ষক-শিক্ষাৰ্থীৰ হাতত সময়মতে উপলব্ধ নোহোৱা আৰু মুখামুখি সময়ত উলিয়াই দিয়া এক অৰ্থত হেমাহি বুলিয়ে ক'ব পাৰি। একেটা সময়ত বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগে প্ৰয়োজনীয় পাঠ্যপুথিৰ ব্যৱস্থা কৰাৰ সলনি বজাৰত ব্যক্তিগত জ্ঞাত-অজ্ঞাত লেখকৰ গ্ৰন্থ উভৈনদী হৈ পৰে। এইক্ষেত্ৰত প্ৰতিটো বিষয়ৰ পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ লগত জড়িতসকলে বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ তত্ত্বাৱধানত গ্ৰন্থ প্ৰকাশ কৰাৰ দৰকাৰ আছিল। তাকে নকৰি পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কাকতত প্ৰসংগ পুথিৰ নামবোৰ দিয়াৰ লগতে বিভাগসমূহে প্ৰয়োজনীয় পাঠৰ পুথি প্ৰকাশৰ দিহা কৰিব লাগিছিল। কাৰণ বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগটো অতি গুৰুত্বপূৰ্ণ আৰু বৌদ্ধিকভাৱে স্বতন্ত্ৰ অংগ। যি বিভাগে স্বতন্ত্ৰীয়ভাৱে উচ্চতৰ পৰ্যায়ৰ মূল পুথি ৰচনা কৰি বিশুদ্ধ ধাৰণা শিক্ষাৰ্থীৰ ওচৰত দাঙি ধৰিব লাগে, পাবত গজা লেখকৰ গ্ৰন্থ প্ৰকাশত পৰোক্ষভাৱে সন্মতি দি নিজৰ যেন কৰণীয় একো নাই, তেনেদৰে জীৱন-জীৱিকা চলাই গৈছে। অসমীয়া বিষয়ৰ ক্ষেত্ৰত দুটা বা তিনিটা দশকৰ আগেয়ে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পাঠ্যক্ৰমত লগা নিৰ্বাচিত প্ৰবন্ধ, কবিতা, গল্প আৰু চিন্তাশীল সুন্দৰ পাতনি পৰিৱেষ্টিত গ্ৰন্থ প্ৰকাশৰ দ্বাৰা শিক্ষাৰ্থীক সঁচা অৰ্থত উপকাৰ সাধন কৰাৰ দৃষ্টান্ত নখদৰ্পণত। অন্য বিষয়ৰ লগতে বিজ্ঞানৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰতো বিশ্ববিদ্যালয় প্ৰকাশনে শিক্ষাৰ্থীৰ উপকাৰ সাধন কৰিছিল। জোঁৰ পুৰি হাত পালেও বিশুদ্ধ পৰম্পৰাক জীয়াই ৰাখিবলৈ প্ৰতিখন কাকতৰ লগত সংলগ্ন বিষয়ৰ গ্ৰন্থ প্ৰকাশৰ বাবে বিশ্ববিদ্যালয়ৰ উচ্চস্তৰীয় পাঠ্যপুথি প্ৰকাশন বিভাগৰ অনুমোদনপ্ৰাপ্ত লোকক দায়িত্ব প্ৰদান কৰি তেনে ব্যৱস্থা অব্যাহত ৰাখিলে শিক্ষাৰ মান থাকিব। অন্যথা মন গ'লেই ব্যৱসায়ৰ সুযোগ বুজি বিজ্ঞান শাখা, কমাৰ্চ শাখাৰ গ্ৰন্থ, অভিধান, সাহিত্যৰ বুৰঞ্জী, অসম বুৰঞ্জী, সমাজতত্ত্ব আদি বিষয়ৰ কিতাপৰ গুণগত মান আওকাণ কৰিলে জোৰা-টাপলি মাৰি প্ৰকাশ হৈ থকা এনেবোৰ কিতাপ বজাৰত ওলাই থকাত বাধা দিব নোৱাৰিব। প্ৰচুৰ সম্ভাৱনা থকা শিক্ষাৰ্থীৰ সুদূৰপ্ৰসাৰী বৌদ্ধিক জ্ঞান জিজ্ঞাসা কলিতে মৰহি যোৱাৰ পৰা ৰক্ষা কৰাহে শিক্ষকৰ দায়িত্ব হ'ব লাগে। শিক্ষকে যদি বৌদ্ধিক বেপাৰত মনোনিৱেশ কৰে তেনেহ'লে মানৱ সম্পদ জঠৰ, অপাংক্তেয় হোৱাই স্বাভাৱিক। গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ বিষয়ে উল্লেখ আছে—an autonomous unit to promote the university mission by publishing books on original subjects, thoughts and ideas at the highest level of excellence.' বিশ্ববিদ্যালয়ে ইতিমধ্যে বহুতো ভাল গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। ইয়াত দ্বিমত নাই যদিও নতুন শিক্ষানীতি আৰম্ভ হোৱাৰ পাছত যেন পাঠ্যক্ৰমৰ অন্তৰ্গত গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত নিজৰ ক্ষমতা হাত খুলি দিয়া যেন লাগে। পাঠ্যক্ৰমৰ ভিত্তিত লিখা গ্ৰন্থৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় প্ৰকাশনৰ অনুমোদন নিকপকপীয়া হোৱা অতি জৰুৰী। নহ'লে টকা ঘটাৰ বেপেৰুৱা তাগিদাত যাৰে যি মন যায় তাকে কৰি নতুন প্ৰজন্মক বৌদ্ধিকভাৱে নিশকতীয়া কৰিব। প্ৰসংগ পুথি, পাঠ্যপুথি, আংশিক পাঠ আদি সকলো বিশ্ববিদ্যালয়ৰ তাগিদাত হোৱা দৰকাৰ। তেতিয়াহ'লে অনুমোদন পোৱা আৰু নোপোৱা দুই ধৰণৰ গ্ৰন্থ স্পষ্ট হ'ব। বিশ্ববিদ্যালয়ৰ প্ৰকাশনে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৃত গ্ৰন্থৰ অনুবাদকক বিশেষ অগ্ৰাধিকাৰ দিলে জাতীয় জীৱনৰ উৎকৰ্ষ সাধন হোৱাত সহায়ক হ'ব। ইয়াৰ বাবে নতুন শিক্ষানীতি জগৰীয়া নহয়, বৰঞ্চ শিক্ষানীতিক বাস্তৱ ৰূপ দিবলৈ হাতে-কামে ঢাল-তৰোৱাল নোহোৱাকৈ আগবঢ়া বিশ্ববিদ্যালয় পৰ্যায়ৰ কৰ্তৃপক্ষহে দায়ী হ'ব।

◆◆

***প্ৰসংগ পুথি, পাঠ্যপুথি, আংশিক পাঠ আদি সকলো বিশ্ববিদ্যালয়ৰ তাগিদাত হোৱা দৰকাৰ। তেতিয়াহ'লে অনুমোদন পোৱা আৰু নোপোৱা দুই ধৰণৰ গ্ৰন্থ স্পষ্ট হ'ব। বিশ্ববিদ্যালয়ৰ প্ৰকাশনে গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৃত গ্ৰন্থৰ অনুবাদকক বিশেষ অগ্ৰাধিকাৰ দিলে জাতীয় জীৱনৰ উৎকৰ্ষ সাধন হোৱাত সহায়ক হ'ব।***

◆◆◆

ঠিকনা ঃ সহযোগী অধ্যাপক, যোৰহাট মহাবিদ্যালয়, মহাত্মা গান্ধী পথ, যোৰহাট-৭৮৫০০১, ফোন ঃ ৯১০১১২২৬৩৮